জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩২৩/২০২১**

# বাক্সা জিলাৰ তামুলপুৰত উপস্থিত হৈ বিভিন্ন উন্নয়নী প্ৰকল্পৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৭ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ তামুলপুৰত উপস্থিত হৈ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়।

মুখ্যমন্ত্ৰীয়ে পাগলাদিয়া নদীৰ ওপৰত খৈৰাণীত প্ৰস্তাৱিত দ্বিতীয়খন দলঙৰ নিৰ্মাণৰ স্থান পৰিদৰ্শন কৰে। উল্লেখ্য যে 'অসম মালা' আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে ইতিমধ্যে এই দলংখন নিৰ্মাণৰ বাবে বাজেট আৱণ্টন দিছে। ১.৫ কিঃমিঃ দৈৰ্ঘৰ এই দলংখনৰ নিৰ্মাণৰ কাম-কাজ আগন্তুক ৬ ৰ পৰা ৭ মাহৰ ভিতৰত আৰম্ভ হ'ব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে লগতে পাগলাদিয়া নদীৰ ওপৰত জাৰতালুকত নিৰ্মাণ হৈ থকা দলংখনৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। উল্লেখ্য যে এই দলংখনৰ নিৰ্মাণৰ আধাৰশিলা মুখ্যমন্ত্ৰী ড° শৰ্মাই বিগত বিটিচি নিৰ্বাচনৰ পিছতে স্থাপন কৰিছিল। এই দলংখনৰ নিৰ্মাণ কাৰ্য আগন্তুক বৰ্ষৰ শেষৰ ফালে সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে এই দলংখনে বৰমা বিধানসভা সমষ্টিৰ এক বৃহৎ অংশৰ সৈতে তামুলপুৰক সংযোগ কৰিব আৰু বৰমা তথা মুছলপুৰৰ পৰা ওদালগুৰিলৈ পথ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব।

মুখ্যমন্ত্ৰীয়ে লগতে প্ৰস্তাৱিত তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বাবে কছুবাৰীত চিনাক্ত কৰা স্থানো পৰিদৰ্শন কৰে। উল্লেখ্য যে এই চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ প্ৰাথমিক কাম-কাজে ইতিমধ্যে অগ্ৰগতি লাভ কৰিছে আৰু অহা বিত্তীয় বৰ্ষৰ ভিতৰতে এই চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি আশা কৰা হৈছে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম আৰু বিধায়ক ভূপেন বড়ো উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ**
**১৭-১০-২০২১**